# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## HEADLINES

১। শপতগ্ৰহণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কাৰ্যালয়ত উপস্থিত। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি।

২। দেশৰ বাবে প্ৰতি মুহূৰ্ততে উৎসৰ্গিত মনোভাৱেৰে কাম কৰি যোৱাৰ বাবে দায়বদ্ধ হ'বলৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ প্ৰতি শ্ৰী মোদীৰ আহ্বান।

৩। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ অগ্ৰিম নিৰাপত্তাৰক্ষীৰ কনভয়ত সন্দেহযুক্ত উগ্ৰপন্থীৰ আক্ৰমণত এজন আৰক্ষী জোৱান আহত।

৪। ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ নিৰ্বাচন আয়োগৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা।

৫। ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙৰ ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ।

*আৰু*

৬। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি কৰে। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ'ব। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ প্ৰথমটো সিদ্ধান্তই কৃষকসকলৰ কল্যাণৰ হকে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁৰ চৰকাৰ কৃষকসকলৰ উন্নয়নৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰ্যভাৰ গ্ৰহণৰ পাছত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ বিষয়ববীয়া তথা সদস্যসকলক সম্বোধন কৰে। তেওঁ কয় যে বিগত ১০ বছৰে তেওঁ প্ৰধানমন্ত্ৰী কাৰ্যালয়ক উন্নয়নৰ অনুঘটক হিচাপে ব্যৱহাৰ কৰাৰ চেষ্টা কৰি আহিছে। তেওঁ কয় যে তৃতীয়টো কাৰ্যকালৰ বাবে জনসাধাৰণে তেওঁৰ নেতৃত্বৰ চৰকাৰক অৰ্পন কৰাৰ দায়িত্ব তেওঁৰ দায়বদ্ধতা বৃদ্ধি কৰাৰ লগতে দেশক উন্নয়নৰ শিখৰলৈ লৈ যোৱাৰ সংকল্পক শক্তিশালী কৰি তুলিছে। দেশৰ চৰকাৰৰ অৰ্থ সামৰ্থ, সমৰ্পণ আৰু সংকল্পৰ নতুন শক্তি বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ বাবে সময়ৰ কোনো সীমাবদ্ধতা থাকিব নোৱাৰে। দেশৰ বাবে প্ৰতি মুহূৰ্ততে উৎসৰ্গিত মনোভাৱেৰে কাম কৰি যোৱাৰ বাবে এই কাৰ্যালয় দায়বদ্ধ বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে দৃঢ় সংকল্প আৰু সমৰ্পিত মনোভাৱ লৈ নিষ্ঠা সহকাৰে কাম কৰি যোৱাৰ ক্ষেত্ৰত আগ্ৰহীসকলক তেওঁৰ সহযোগী হ'বলৈ আহ্বান জনায়। তেওঁ লগতে বিশ্বৰ কোনো ৰাষ্ট্ৰই এই পৰ্যন্ত উপনীত নোহোৱা

সফলতাৰ শিখৰলৈ ভাৰতক লৈ যোৱাৰ বাবে বদ্ধপৰিকৰ বুলিও মন্তব্য কৰে। তেওঁ কয় যে চিন্তাৰ স্পষ্টতা, দৃঢ় আত্মবিশ্বাস আৰু সংকল্পৰ দৃঢ়তা থকা লোকেহে লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। শ্ৰী মোদীয়ে কয় যে আজীৱন নিজৰ মাজত এজন শিক্ষাৰ্থীক কঢ়িয়াই ফুৰা ব্যক্তিয়েহে সফলতাৰ শিখৰ স্পৰ্শ কৰিব পাৰে। তেওঁ প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ সকলো কৰ্মচাৰীয়ে চৰকাৰৰ সফলতাৰ অংশীদাৰ বুলি উল্লেখ কৰি পৰৱৰ্তী সময়তো তেওঁলোকক এই নিষ্ঠা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ লোৱা উপলক্ষে বিশ্বৰ নেতাসকলে তেওঁলৈ জনোৱা শুভেচ্ছা বাৰ্তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডেয়েও কৈছে যে দুয়োখন দেশৰ জনসাধাৰণৰ মাজত মানৱাধিকাৰ, বৈচিত্ৰ আৰু আইনৰ শাসনৰ ওপৰত আধাৰিত সম্পৰ্ক আগুৱাই নিয়াৰ বাবে কাম কৰিবলৈ কানাডা সাজু। কানাডাৰ প্ৰধানমন্ত্ৰীক দিয়া এটা উত্তৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত কানাডাৰ সৈতে পাৰস্পৰিক বুজাবুজি আৰু পৰস্পৰৰ চিন্তাধাৰাৰ প্ৰতি সন্মানৰ ভিত্তিত কাম কৰিবলৈ আগ্ৰহী।

ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পিট্টেৰি অৰ্পই তেওঁৰ শুভেচ্ছাবাণীত কয় যে, পাৰস্পৰিক সম্পৰ্কৰ বিস্তাৰ কৰিবলৈ তেওঁ আগ্ৰহী আৰু জনসাধাৰণৰ মংগলৰ বাবে একেলগে কাম কৰি যাবলৈ তেওঁ সাজু। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ উত্তৰত কয় যে ভাৰত-ফিনলেণ্ডৰ সম্পৰ্কত দুয়োখন দেশৰ অংশীদাৰিত্ব আৰু অধিক সুদৃঢ় কৰাৰ বাবে ফিনলেণ্ডৰ সৈতে কাম কৰিবলৈ আগ্ৰহী।

শ্ল'ভেনিয়াৰ প্ৰধানমন্ত্ৰী ৰৰ্বাট গ'ল'বে তেওঁৰ শুভেচ্ছাবাৰ্তাত কয় যে, দুয়োখন দেশ পৰস্পৰৰ সম্পৰ্ক সুদৃঢ় কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত সহযোগিতা আগবঢ়াবলৈ তৎপৰ।

মাইক্ৰ'ছফ্টৰ প্ৰতিষ্ঠাপক বিল গেটছে প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়টো কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰীমোদীক শুভেচ্ছা জনাই এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ উদ্ভাৱনৰ উৎস হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰিছে। তেওঁ স্বাস্থ্য, কৃষি, মহিলা নেতৃত্ব আৰু ডিজিটেল পৰিৱৰ্তনৰ নিচিনা বিষয়ত গোলকীয় প্ৰগতি অনাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিক শক্তিশালী কৰিছে।

০০০০০০

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে আজি পুৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত দুষ্কৃতিকাৰীয়ে মুখ্যমন্ত্ৰীগৰাকীৰ অগ্ৰিম নিৰাপত্তাৰক্ষীৰ দলটোক কৰা আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিছে। তেওঁ এই ঘটনাৰ সৈতে জড়িতসকলক চিনাক্ত কৰি উচিত শাস্তি বিহা হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুতৰভাৱে আহত নিৰাপত্তাৰক্ষী জোৱানজনক ভৰ্তি কৰি ৰখা চিকিৎসালয়লৈ গৈ তেওঁৰ স্বাস্থ্যৰ বুজ লয়। উল্লেখযোগ্য যে ইম্ফলৰ জিৰিবাম পথৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ কাংপকপি জিলাৰ কে চিনাম গাঁৱৰ সমীপত আজি পুৱা চাৰে ১০ বজাত মণিপুৰৰ মুখ্যমন্ত্ৰীগৰাকীৰ আগে আগে যোৱা নিৰাপত্তাৰক্ষীৰ কনভয়ত সন্দেহযুক্ত উগ্ৰপন্থীয়ে আক্ৰমণ চলোৱাৰ ফলত মৈৰাংথেম আজেশ নামৰ এজন আৰক্ষী জোৱান গুৰুতৰভাৱে আহত হৈছিল। আহতজোৱানক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাস্থলীত অতিৰিক্ত নিৰাপত্তা বাহিনী উপস্থিত হৈ অভিযান আৰম্ভ কৰিছে।

মন কৰিবলগীয়া যে কাংপকপি জিলাখনত অলপতে সংঘটিত হোৱা জনগোষ্ঠীয় হিংসাত্মক ঘটনাত ভালেমান ক্ষয়-ক্ষতি হৈছিল। এই ঘটনাত গৃহহীন পৰিয়ালসমূহে জিৰিবাম জিলা সদৰত স্থাপন কৰা সাহায্য শিবিৰত আশ্ৰয় লৈ আছে। মুখ্যমন্ত্ৰীয়ে কাইলৈ জিলাখন ভ্ৰমণ কৰি এই পৰিয়ালসমূহক সাক্ষাৎ কৰাৰ পৰিকল্পনা কৰিছিল আৰু এই যাত্ৰাৰ পূৰ্বেই

মুখ্যমন্ত্ৰীৰ অগ্ৰিম নিৰাপত্তাৰক্ষী দলটো আক্ৰমণৰ সন্মুখীন হয়। ইফালে, চি এ পি এফকে ধৰি অতিৰিক্ত নিৰাপত্তা বাহিনীয়ে তালাচী অভিযান তীব্ৰতৰ কৰি তুলিছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত কটকটীয়া নিৰপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে মোদী মন্ত্ৰীসভাৰ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে শপত লৈ দেশমাতৃৰ প্ৰতি সমৰ্পিত সেৱা আগবঢ়াই যাবলৈ দৃঢ় সংকল্পবদ্ধ বুলি মত প্ৰকাশ কৰিছে। দেশক পুনৰ সেৱা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অসমবাসী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। বিগত ১০ বছৰত দেশত হোৱা অভূতপূৰ্ব উন্নয়নৰ বাবেই প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি দেশবাসীৰ আস্থা আৰু বিশ্বাস অটুট আছে বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয় যে, অনাগত দিনবোৰত ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰ কৰাৰ বাবে এন ডি এ চৰকাৰ বদ্ধপৰিকৰ। এই ক্ষেত্ৰত প্ৰতিগৰাকী মন্ত্ৰীয়ে উৎসৰ্গিত মনোভাৱেৰে দেশৰ বাবে কাম কৰি যাবলৈ দৃঢ় সংকল্পবদ্ধ বুলিও তেওঁ উল্লেখ কৰিছে। ভাৰতে এতিয়া শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ নতুন শিখৰত আৰোহণ কৰাৰ দিশত ক্ষীপ্ৰতাৰে আগবাঢ়িব বুলিও তেওঁ কয়।

আনহাতে ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটাই কালি প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীৰ শপত লয়। শ্ৰী মাৰ্ঘেৰিটাই তেওঁক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি দলৰ শীৰ্ষ নেতৃত্বক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মন্ত্ৰীসভাত নতুনকৈ দায়িত্ব লাভ কৰা সাংসদগৰাকীয়ে আকাশবাণীৰ সংবাদদাতাৰ আগত সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণত তেওঁক সুযোগ দিয়াৰ বাবে ৰাজ্যবাসী আৰু বিজেপিৰ ৰাজ্যিক নেতৃত্বকো কৃতজ্ঞতা জ্ঞাপন কৰিছে। ৰাজনৈতিক যাত্ৰাত সহযোগিতা আগবঢ়াই অহা মাতৃ, পিতৃ, পত্নী আৰু বন্ধুবৰ্গকো তেওঁ ধন্যবাদ জ্ঞাপন কৰে। পূৰ্বতে দলে অৰ্পণ কৰি অহা দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰাৰ দৰে নতুন দায়িত্বও সততা আৰু নিষ্ঠাৰে পালন কৰি যাব বুলি শ্ৰী মাৰ্ঘেৰিটাই প্ৰকাশ কৰিছে।

0000000

দেশৰ নিৰ্বাচন আয়োগে ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। ১৩টা বিধানসভা সমষ্টিৰ ভিতৰত পশ্চিমবংগৰ ৪টা, হিমাচল প্ৰদেশৰ ৩টা, উত্তৰাখণ্ডৰ দুটা আৰু বিহাৰ, তামিলনাডু, মধ্যপ্ৰদেশ, পঞ্জাবৰ এটাকৈ সমষ্টি আছে। নিৰ্বাচন আয়োগে জনোৱা মতে এই বিধানসভা সমষ্টিকেইটাৰ অহা ১০ জুলাইত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৩ জুলাইত ভোটগণনা কৰা হ'ব।

0000000

ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে আজি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে। তেওঁৰ লগতে ১১ গৰাকী কেবিনেট মন্ত্ৰীয়েও আজি শপত লয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীটামাং আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। আজি শপত গ্ৰহণ কৰা কেবিনেট মন্ত্ৰীসকলৰ ভিতৰত চোনম লামা, অৰুণ কুমাৰ উপ্ৰেটি, চমদুপ লেপচা, ভিমহাং লিম্বু অন্যতম। গেংটকৰ পালিজোৰ ষ্টেডিয়ামত আজি বিয়লি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত বৌদ্ধ ভিক্ষুসকলৰ প্ৰাৰ্থনা, খ্ৰীষ্টধৰ্মী সংগীত গোটৰ গীত পৰিৱেশন আৰু বেদৰ মন্ত্ৰ উচ্চাৰণে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে ছিকিম বিধানসভা নিৰ্বাচনত ৩২ খনৰ আসনৰ ভিতৰত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১ খনতেই জয়লাভ কৰিছিল। ছিকিম ডেম'ক্ৰেটিক ফ্ৰ'ণ্টে মাত্ৰ এখন আসন লাভ কৰিবলৈ সমৰ্থ হয়।

000000000

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহালে আজি জনতাভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। মিছন বানমুক্ত গুৱাহাটী, মিছন অম্ৰুট, স্বচ্ছ ভাৰত মিছন (নগৰীয়া), গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী শাখা তথা নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ শীৰ্ষ বিষয়াসকলে এই বৈঠকত অংশ লয়। বৈঠকখনত শ্ৰী সিংহালে বিভাগীয় বিষয়াসকলৰ পৰা বিভিন্ন প্ৰকল্পৰ কামকাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। শেহতীয়াকৈ সাগৰীয় ঘূৰ্ণি বতাহ ৰীমালৰ প্ৰভাৱত গুৱাহাটী মহানগৰীত হোৱা অস্বাভাৱিক বৰষুণ আৰু তাৰ ফলত হোৱা বানৰ বুজ লোৱাৰ লগতে কৃত্ৰিম বান সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মেঘালয়ৰ পৰা নামি অহা পানী গুৱাহাটী চহৰৰ বাহিৰে বাহিৰে ব্ৰহ্মপুত্ৰ বা দীপৰ বিললৈ বোৱাই নিয়া, নলা-নৰ্দমাসমূহ আৱৰ্জনামুক্ত কৰি পানীৰ প্ৰাকৃতিক সুঁতিসমূহ পৰিষ্কাৰ কৰি ৰখা, অবৈধ নিৰ্মাণ বন্ধ কৰা আৰু বেদখল প্ৰতিহত কৰাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ ফলতো বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ বাবে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ সকলৰ লগতে বন বিভাগৰ সৈতে সমন্বয় ৰক্ষাৰে কাম কৰিবলৈ তেওঁ পৌৰ নিগম তথা মিছন বানমুক্ত গুৱাহাটীৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে আন এখন গুৰুত্বপূৰ্ণ বৈঠকত তেওঁ দ্বিতীয় পৰ্যায়ৰ অম্ৰুট আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন চহৰত খোৱাপানী যোগান আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত বুজ লয়। ইয়াৰ লগতে এই আঁচনিৰ অধীনত বিহপুৰীয়া, যোৰহাট, উত্তৰ লখিমপুৰ, লক্ষীপুৰ, কোকৰাঝাৰ, শিলচৰ, তিনিচুকীয়া, ৰঙিয়াৰ পানী যোগান প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। আন এখন বৈঠকত তেওঁ স্বচ্ছ ভাৰত মিছন নগৰীয়াৰ অধীনত হাতত লোৱা গোটা আৱৰ্জনা ব্যৱস্থাপনা, ব্যৱহৃত জল ব্যৱস্থাপনা, ৰাজহুৱা শৌচাগাৰসমূহৰ উপযুক্ত তদাৰকী, পৌৰসভাসমূহৰ বাসিন্দাসকলৰ ঘৰৰ পৰা ১০০ শতাংশ জাবৰ সংগ্ৰহ সুনিশ্চিতকৰণত গুৰুত্ব আৰোপ কৰে।

oooooooo

ভূটান সীমান্তৱৰ্তী বৰনদী বন্যপ্ৰাণী অভয়াৰণ্যখন উন্নীত কৰাৰ লক্ষ্যৰে বি টি আৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰণজিৎ বসুমতাৰীয়ে অভয়াৰণ্যখনত চাৰিখনকৈ অভিলাসী আঁচনিৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত বি টি আৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্যৰ লগতে দলীয় নেতা-কৰ্মী আৰু স্থানীয় লোক উপস্থিত থাকে।

oooooooo

কৰিমগঞ্জ

oooooooo

মণিপুৰত যোৱামাহত হোৱা ঘূৰ্ণীবতাহ আৰু শিল বৰষুণত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰালয়ৰ এটা দল ৰাজ্যখনত আজি উপস্থিত হৈছে। কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ দপ্তৰৰ সঞ্চালক পৰ্যায়ৰ এগৰাকী বিষয়াৰ নেতৃত্বৰ দলটোৰে ৰাজ্যখনত যোৱা ৫ মে'ত শিল বৰষুণৰ ফলত হোৱা বিস্তৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে বৈঠকত মিলিত হৈছে। দলটোৱে থৌবাল জিলা প্ৰশাসনৰ সৈতে এই সন্দৰ্ভত আজি আলোচনা কৰে। তেওঁলোকে লগতে জিলাখনৰ বিভিন্ন ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰে। জিলাখনৰ প্ৰশাসনে কেন্দ্ৰীয় মন্ত্ৰালয়ৰ দলটোক শিল বৰষুণত হোৱা ক্ষয়-ক্ষতিৰ প্ৰতিবেদন দাখিল কৰে।

ooooooo

ডিব্ৰুগড় জিলাৰ কৃষি বিভাগে কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ লাভালাভ সম্পৰ্কে অৱগত কৰিবলৈ বিভিন্ন সজাগতামূলক অভিযান অব্যাহত ৰাখিছে। কৃষি বিভাগে এই আঁচনিৰ অধীনত জয়পুৰ মহকুমাৰ মুৰহানী গাঁও আৰু নাহৰকটীয়াত কৃষি চক্ৰৰ ধদুমিয়া গাঁও পঞ্চায়ত অন্তৰ্গত কৃষকসকলক পঞ্জীয়নৰ সুবিধাৰ্থে আজি এটা শিবিৰ অনুষ্ঠিত কৰে।

00000000

কৃষি খণ্ডত শক্তিৰ উচিত প্ৰয়োগ সম্পৰ্কে দৰং জিলাৰ মঙলদৈত আজি এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কৃষি আৰু ইয়াৰ সৈতে সংযুক্ত ক্ষেত্ৰত বিভিন্ন যন্ত্ৰচালনাৰ বাবে ব্যৱহৃত ইন্ধনৰ ফলত পাৰিপাৰ্শ্বিকতাৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ দ্বাৰা বিকল্প শক্তিৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে কৃষকসকলক সজাগ কৰাৰ উদ্দেশ্যে জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত এই কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত অধিক শস্য উৎপাদন আৰু জলবায়ুৰ সৈতে স্থিতিস্থাপকতা বৰ্তাই ৰাখি ইন্ধনৰ উচিত ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা হয়।

00000000

মাজুলী জিলাৰ কৃষকসকলে ন্যূনতম সমৰ্থন মূল্যত সৰিয়হ বিক্ৰীৰ বাবে অহা ১২ জুনলৈ সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিব পাৰিব। সৰিয়হ ক্ৰয়ৰ সৈতে জড়িত সংস্থা **নাফেড**ৰ তৰফৰ পৰা জিলা কৃষি বিভাগে অৱগত কৰিছে। সেয়েহে কৃষকসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিবলৈ কৃষি বিভাগে আহ্বান জনাইছে।

00000000

মাজুলী জিলা কৃষি বিভাগৰ অধীনত আটমাৰ উদ্যোগত আজি গড়মূৰ কৃষিচক্ৰৰ অন্তৰ্গত মহৰিচুক আৰু মালাপিন্ধা মিৰি গাঁৱত কেইবাটাও আত্মসহায়ক গোটক কাঠফুলা খেতি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত মহিলাসকলৰ মাজত খেতিৰ বাবে যাৱতীয় সামগ্ৰীও বিতৰণ কৰা হয়। গড়মূৰ আৰু কমলাবাৰী কৃষি চক্ৰৰ কেইবাগৰাকীও কৃষি উন্নয়ন বিষয়াৰ লগতে কাঠফুলা খেতিৰে স্বাৱলম্বী হোৱা মাধুৰীমা দত্তই এই প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকে।

000000000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত **চলন্তিকা**ত নতুন ফৌজদাৰী আইন সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী গোটৰ বিশেষ চৰকাৰী অধিবক্তা মাখন ফুকনৰ সৈতে হোৱা এটি কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব হেমন্ত বৰাই।

000000

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

00000000

**সমাপ্ত**